**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-05-2025
**Time :** 1220 Hrs

***Assamese Midday Bulletin***

----------------------------

পঞ্চায়ত নিৰ্বাচনৰ যোৱা নিশালৈকে লাভ কৰা ভোটগণনাৰ তথ্য অনুসৰি বিজেপিয়ে বিভিন্ন জিলাত অগ্ৰগতি লাভ কৰিছে। আমাৰ সংবাদদাতাসকলে জনোৱা মতে ভোটগণনাৰ শেহতীয়া তথ্য অনুসৰি কেইবাখনো জিলাত বিজেপিয়ে অগ্ৰগতি লাভ কৰিছে।

**শিৱসাগৰ** জিলাৰ ৩টা বিধানসভা সমষ্টিৰ ১২ খন জিলা পৰিষদৰ ৩ খন আসনত বিজেপিয়ে জয়লাভ কৰিছে। বাকী ৯ খন আসনৰ ৮ খনত বিজেপিয়ে অগ্ৰগতি লাভ কৰিছে। ইয়াৰে এখন আসনত অসম গণ পৰিষদ দলৰ প্ৰাৰ্থী আগবাঢ়ি আছে। জিলাখনৰ ২৭ খন আঞ্চলিক পঞ্চায়তৰ ঘোষিত ফলাফল মতে বিজেপিয়ে ২০ খন, অগপই ৩ খন আৰু কংগ্ৰেছে এখন আসনত জয়লাভ কৰিছে। নাজিৰা বিধানসভা সমষ্টি ২৭ আঞ্চলিক পঞ্চায়তৰ ঘোষিত ফলাফল মতে বিজেপিয়ে ১৯ খন, অগপই এখন আৰু কংগ্ৰেছে এখন আসনত জয়লাভ কৰিছে। ডিমৌ বিধানসভা সমষ্টিত ২৮ খন আঞ্চলিক পঞ্চায়তৰ ঘোষিত ফলাফল মতে বিজেপিয়ে ৬ খন আৰু ৰাইজৰ দলে এখন আসন লাভ কৰিছে।

চৰাইদেউ জিলাত ৮ খন জিলা পৰিষদৰ আটাইকেইখনতে বিজেপি জয়ী হৈছে। আঞ্চলিক পঞ্চায়তৰ ৩৬ খন আসনত বিজেপিয়ে ৩২ খন আৰু অগপই ৪ খন আসনত জয়লাভ কৰিছে। একেদৰে অন্যান্য জিলাসমূহতো পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা চলি আছে।

oooooo

সমৰ্থ প'ৰ্টেলৰ জৰিয়তে শিক্ষাৰ্থীসকলে আজিৰে পৰা চলিত ২০২৫-২৬ বৰ্যত স্নাতক পাঠ্যক্ৰমত নিজৰ নাম পঞ্জীয়ন প্ৰক্ৰিয়া আৰম্ভ হৈছে। ৰাজ্যৰ শিক্ষা বিভাগে জাৰি কৰা নিৰ্দেশনা অনুসৰি অনা উমৈহতীয়া বিশ্ববিদ্যালয় বাছনি পৰীক্ষা অৰ্থাৎ ন'ন চি ইউ ই টিৰ প্ৰাৰ্থীসকলৰ ক্ষেত্ৰত আজিৰ পৰা ২২ মে'লৈকে আবেদনকাৰীৰ দ্বাৰা পাঠ্যক্ৰম নিৰ্বাচন আৰু শিক্ষানুষ্ঠানৰ দ্বাৰা আবেদনসমূহৰ পৰীক্ষণ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ২৯ মে'ৰ পৰা ১ জুনৰ ভিতৰত প্ৰথমখন মেধা তালিকা প্ৰস্তুত কৰি চূড়ান্ত কৰাৰ লগতে ২ জুনত প্ৰথম মেধা তালিকা প্ৰকাশ পাব। ৪ জুন আৰু ৫ জুনত প্ৰথম মেধা তালিকাত অন্তৰ্ভুক্ত ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্তিৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ৭ জুনত দ্বিতীয়খন মেধা তালিকা প্ৰকাশ পাব। ৯ জুন আৰু ১০ জুনত তালিকাখনত অন্তৰ্ভুক্ত হোৱা শিক্ষাৰ্থীসকলৰ নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। ১১ জুনৰ পৰা ১৪ জুনলৈকে পোনপটীয়া নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। অহা ১ আগষ্টৰ পৰা প্ৰথম যান্মাষিকৰ শ্ৰেণীসমূহ আৰম্ভ হ'ব। উমৈহতীয়া বিশ্ববিদ্যালয় বাছনি পৰীক্ষা অৰ্থাৎ চি ইউ ই টিৰ জৰিয়তে নিৰ্বাচিত প্ৰাৰ্থীসকলৰ নামভৰ্তি প্ৰক্ৰিয়া ৫ জুলাইৰ পৰা আৰম্ভ হ'ব।

oooooo

বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে বিশেষকৈ দক্ষিণ-পূব এছিয়া আৰু অসমতো আজি বুদ্ধ পূৰ্ণিমা উদযাপন কৰা হৈছে। গৌতম বুদ্ধৰ জন্মৰ দিনটোৰ লগতে বুদ্ধগয়াত

মহাবোধি বৃক্ষৰ তলত তেওঁ পৰিনিৰ্বাণ লাভ কৰা দিন উপলক্ষে আজি বুদ্ধ পূৰ্ণিমা পালন কৰা হয়। সমগ্ৰ বিশ্বৰ বৌদ্ধ আৰু হিন্দু ধৰ্মাৱলম্বী লোকসকলে এই দিনটো উদযাপন কৰাৰ লগতে ভাৰত, নেপাল, ভূটান, বাৰ্মা, থাইলেণ্ড, তিব্বত, কোৰিয়া, লাওছ, ভিয়েটনাম, মংগোলিয়া, কম্বোডিয়া, ছিংগাপুৰ, ইণ্ডোনেছিয়া আৰু শ্ৰীলংকাৰ দৰে দেশসমূহত মহা আড়ম্বৰেৰে এই দিৱস উদযাপন কৰা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গৌতম বুদ্ধৰ সমূহ অনুগামীলৈ বুদ্ধ পূৰ্ণিমাৰ শুভেচ্ছা জ্ঞাপন কৰিছে। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখৰেও আটাইলৈ বুদ্ধ পূৰ্ণিমাৰ শুভেচ্ছা জনাইছে। ভগৱান বুদ্ধৰ অহিংসা তথা দয়াৰ বাৰ্তা আজিৰ সময়ত সমাজ তথা মানৱতাৰ বাবে পূৰ্বতকৈ অধিক প্ৰাসংগিক বুলি তেওঁ মত প্ৰকাশ কৰে।

০০০০০০

বিহাৰত চলি থকা সপ্তম খেল' ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমে ১৫০ টা পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। ২০১৮ চনৰ পৰা আৰম্ভ হোৱা ভাৰত চৰকাৰৰ প্ৰতিভা সন্ধানী ক্ৰীড়া প্ৰতিযোগিতাত খেল' ইণ্ডিয়া, যুৱ ক্ৰীড়াৰ নতুন দিল্লীৰ উদ্বোধনী বৰ্ষত অসমে এটাকৈ সোণ, ব্ৰঞ্জ আৰু দুটা ৰূপসহ চাৰিটা পদক লাভ কৰিছিল। পৰৱৰ্তী দ্বিতীয় সংস্কৰণত অসমে ১০টা পদক লাভ কৰিবলৈ সক্ষম হৈছিল। ২০২০ চনত গুৱাহাটীত অনুষ্ঠিত হোৱা তৃতীয় খেল' ইণ্ডিয়া যুৱ ক্ৰীড়া অসমে ২০টা সোণ, ২২টা ৰূপ আৰু ৩৪ টা ব্ৰঞ্জ সহ মুঠ ৭৬টা পদক লাভ কৰিবলৈ সক্ষম হৈছিল। পৰৱৰ্তী ২০২২, ২০২৩ আৰু ২০২৪ চনৰ খেল' ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমে পদক অৰ্জন কৰিছিল যদিও ২০২০ চনতেই আছিল অসমৰ শ্ৰেষ্ঠ প্ৰদৰ্শন।

০০০০০০

ভূমিস্খলনৰ বাবে মেঘালয়-বৰাক সংযোগী ৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ বন্ধ কৰি দিয়া হৈছে। ৰাষ্ট্ৰীয় ঘাইপথটোৰ মেৰামতিৰ কাম সম্পূৰ্ণ নোহোৱালৈকে সকলো ধৰণৰ যান-বাহনৰ চলাচল বন্ধ কৰি দিয়া হৈছে। বৰষুণৰ ফলত ৰাষ্ট্ৰীয় ঘাইপথটোৰ কেইবাটাও স্থানত ভূমিস্খলন সংঘটিত হৈছে। যাৰ বাবে যাতায়াত কৰা লোকসকলৰ বাবে মেঘালয় আৰক্ষীয়ে বিকল্প পথ ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে।

০০০০০০

লখিমপুৰ জিলাৰ বগীনদী থানাৰ অন্তৰ্গত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত কালি সন্ধিয়া সংঘটিত এটা পথ দুৰ্ঘটনাত এজন যুৱক নিহত হয়। ৰাষ্ট্ৰীয় ঘাইপথেৰে ধেমাজিৰ পৰা লখিমপুৰ অভিমুখী এখন ছচকীয়া মালবাহী ট্ৰাকে এখন দুচকীয়া বাহনক খুন্দিওৱাৰ ফলত বাহনখনৰ আৰোহীগৰাকী থিতাতে নিহত হয়। নিহত যুৱকজন গোগামুখৰ ৰূপম হাজৰিকা বুলি জানিব পৰা গৈছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে এটা গোচৰ ৰুজু কৰিছে।

০০০০০০

ধুবুৰী জিলাৰ বিলাসীপাৰা সমজিলা আয়ুক্তৰ কাৰ্যালয়ৰ ভোটগণনা কেন্দ্ৰত কৰ্তব্যৰত এজন আৰক্ষী কনিষ্টবলৰ আকস্মিক মৃত্যু হয়। মৃত আৰক্ষী কনিষ্টবলজনৰ নাম শ্যামল চন্দ্ৰ ৰায় বুলি জানিব পৰা গৈছে। উচ্চ ৰক্তচাপজনিত কাৰণত কৰ্তব্যৰত অৱস্থাতে কনিষ্টবলজনৰ মৃত্যু হয় বুলি উল্লেখ কৰা হৈছে।

০০০০০০ **সমাপ্ত**